**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 29-06-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***
***- - - - - - - - - - - - - - -***

১।  ৰাজ্য চৰকাৰে অসম আৰক্ষী আৰু বিভিন্ন স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত ৰাজ্যখনক মাদক দ্ৰব্য মুক্ত কৰাৰ লগতে যুৱ প্ৰজন্মৰ মাজত মাদক দ্ৰব্যৰ আসক্তি হ্ৰাস কৰিবলৈ বিশেষ ব্যৱস্থা লৈছে বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ।

২।  গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক পৰীক্ষাত নম্বৰ জালিয়াতিৰ ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত ৮জন লোকক আটক।

৩।  যোৰহাটৰ সেনা ছাউনীত বিগত বছৰত গ্ৰেনেড নিক্ষেপৰ ঘটনাৰ সৈতে জড়িত ৩ জন অভিযুক্তক আজি এন আই এৰ আদালতত হাজিৰ।

৪।  ৰাজ্যৰ বান পৰিস্থিতি সুস্থিৰ যদিও এতিয়াও ৫খন জিলাৰ ৪১ হাজাৰৰো অধিক লোক বানৰ কবলত। বিভিন্ন অঞ্চলত খহনীয়াৰ ব্যাপক ৰূপ ধাৰণ।

*আৰু*

৫।  আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি ভাৰত-দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০০

অসম চৰকাৰে ৰাজ্যখনক মাদক দ্ৰব্য মুক্ত কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে আৰু বিগত সময়ছোৱাত অসম আৰক্ষীৰ সহযোগত ৰাজ্যখনে এই ক্ষেত্ৰত যথেষ্ট সফলতা লাভ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এই বিষয়ে প্ৰকাশ কৰি কয় যে, ৰাজ্য চৰকাৰে অসম আৰক্ষী আৰু বিভিন্ন স্বেচ্ছাসেৱী সংগঠনৰ সহযোগত ৰাজ্যখনৰ পৰা মাদক দ্ৰব্য সৰবৰাহ আৰু যুৱ প্ৰজন্মৰ মাজত মাদক দ্ৰব্যৰ প্ৰতি আসক্তি হ্ৰাস কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰীগৰাকীয়ে আজি প্ৰকাশ কৰা মতে অসমত ২০২৩-২৪ বৰ্ষত ৭ হাজাৰ ২৭৪ গৰাকী এইচ আই ভি পজিটিভ লোক চিনাক্ত হৈছে। আনহাতে চিনাক্ত হোৱা লোকসকলৰ ভিতৰত বেজীৰে মাদক দ্ৰব্য গ্ৰহণ কৰা লোক প্ৰায় ৬৫ শতাংশ বুলি প্ৰকাশ কৰা হৈছে।  ড০ শৰ্মাই কয় যে, মাদক দ্ৰব্য গ্ৰহণৰ ফলতে মুঠ এইচ আই ভি পজিটিভ চিনাক্ত লোকৰ ৬৫ শতাংশ আক্ৰান্ত হোৱাটো উদ্বেগজনক বিষয়। উল্লেখযোগ্য যে যোৱা বছৰত সৰ্বভাৰতীয় পৰ্যায়ত এইচ আই ভিত আক্ৰান্ত হৈ ৩৫ হাজাৰ ৮৬৬ জন লোকৰ মৃত্যু হোৱাৰ বিপৰীতে অসমত ৩৩৭ জন লোকৰ এই ৰোগৰ ফলত মৃত্যু হৈছিল। আনহাতে যোৱা বছৰলৈকে লাভ কৰা তথ্য অনুসৰি ৰাজ্যখনত ৩২ হাজাৰৰো অধিক লোকৰ দেহত এইচ আই ভি পজিটিভ থকাটো চিনাক্ত হৈছে। সৰ্বভাৰতীয় পৰ্যায়ত এই সংখ্যা ২৫ লাখ ৪৪ হাজাৰ ৩৬৪ বুলি পৰিসংখ্যাত প্ৰকাশ পাইছে।

০০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ত সংঘটিত স্নাতক পৰীক্ষাত নম্বৰ জালিয়াতিত জড়িত থকাৰ অভিযোগত অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগ আৰু বৰপেটাৰোড আৰক্ষীয়ে ৮জন লোকক আটক কৰিছে। লোক কেইজনক বৰপেটা, ধুবুৰী, নগাওঁ আৰু গুৱাহাটীৰ পৰা আটক কৰা হৈছে। বৰ্তমান বৰপেটাৰোড আৰক্ষী থানাত লোক কেইজনক জেৰা কৰি থকা হৈছে। আটকাধীন লোক কেইজনৰ সন্দৰ্ভত আৰক্ষীয়ে আনুষ্ঠানিকভাৱে কোনো তথ্য সদৰি কৰা নাই।

০০০০০০০

যোৰহাটৰ সেনা ছাউনীত বিগত বছৰত গ্ৰেনেড নিক্ষেপৰ ঘটনাৰ সৈতে জড়িত ৩ জন অভিযুক্তক আজি ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাৰ এন আই এৰ আদালতত হাজিৰ কৰোৱা হয়। এই অভিযুক্তকেইজন বিপ্লৱ বৰুৱা, বিৰাজ কছাৰী আৰু অচ্যুৎ গগৈ বুলি জানিব পৰা গৈছে। আজি তিনিওজন অভিযুক্তক আদালতত হাজিৰ কৰোৱাই গোচৰৰ প্ৰতিলিপি প্ৰদান কৰা হয়। এন আইৰ এৰ অভিযোগানামাত নাম উল্লেখিত আন এজন অভিযুক্ত পলাতক অৱস্থাত আছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা এন আই য়ে যোৱা বুধবাৰে যোৱা বছৰ উগ্ৰপন্থী সংগঠন আলফাই যোৰহাটৰ এটা সামৰিক ঘাটিত গ্ৰেনেড নিক্ষেপ কৰা ঘটনা সন্দৰ্ভত চাৰিজন অভিযুক্তৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰিছিল। যোৰহাটৰ লিচুবাৰী সামৰিক ঘাটিত যোৱা ১৪ ডিচেম্বৰত এই ঘটনা সংঘটিত হৈছিল। উগ্ৰপন্থী সংগঠনটোৱে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ সেনা ছাউনীসমূহত ষড়যন্ত্ৰৰ পৰিকল্পনাৰ অংশ হিচাপে এই ঘটনা সংঘটিত কৰিছিল। ইয়াৰপূৰ্বে তিনিচুকীয়া জিলাৰ কাকপথাৰৰ সেনা ছাউনীতো অনুৰূপ ঘটনা সংঘটিত হৈছিল। উগ্ৰপন্থী সংগঠন আলফা স্বাধীনে ১৫ ডিচেম্বৰত এই ঘটনাৰ দায়িত্ব গ্ৰহণ কৰি এটা প্ৰেছ বিজ্ঞপ্তি জাৰি কৰিছিল। উল্লেখযোগ্য যে আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ম্যানমাৰত থকা আলফা স্বাধীনৰ স্বয়ম্ভু কেপ্টেইন অভিজিৎ গগৈ আৰু সংগঠনটোৰ মুৰব্বী পৰেশ বৰুৱাই এই ষড়যন্ত্ৰৰ পৰিকল্পনা কৰিছিল বুলি প্ৰকাশ পাইছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১১ সংখ্যক খণ্ড। আনহাতে শ্ৰীমোদীয়ে একেৰাহে তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এয়া হ'ব মন কী বাতৰ প্ৰথমটো খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজৰ উপৰি প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটোৰ ঠিক পাছতে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০

ন্যায়াধীশসকলে সংবিধানৰ মতে কাম কৰাৰ লগতে সামাজিক ৰীতি-নীতি অনুসৰি নিজৰ মতামত গঠন কৰিব নোৱাৰে বুলি আজি দেশৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচুড়ে প্ৰকাশ কৰিছে। তেওঁ কয় যে দেশৰ জনসাধাৰণে আদালতক মন্দিৰ হিচাপে গণ্য কৰে। সেয়েহে গোচৰৰ শুনানিৰ সময়ত ন্যায়াধীশসকল সংবেদনশীল আৰু সহানুভূতিশীল হ'ব লাগে বুলি তেওঁ কয়। কলকাতা উচ্চ ন্যায়ালয়ৰ বাৰ এচ'ছিয়েশ্বনৰ পুথি ভঁৰালৰ দ্বি শতবাৰ্ষিকী উপলক্ষে আয়োজিত এটি বিশেষ অনুষ্ঠানত অংশ লৈ তেওঁ ন্যায়াধীশসকলক জনসাধাৰণৰ সেৱক বুলি অভিহিত কৰে। গোচৰৰ শুনানিৰ সময়ত অপৰাধৰ বিষয়ে কোনো পূৰ্ব ধাৰণা গঢ়ি তুলিব নালাগে বুলিও তেওঁ উল্লেখ কৰে। প্ৰযুক্তিৰ কথা উল্লেখ কৰি তেওঁ কয় যে আদালতে নিজৰ ভাষাত দিয়া সিদ্ধান্তক যিকোনো ভাষালৈ অনুবাদ কৰা হৈছে। উচ্চতম ন্যায়ালয়ৰ ৫১ হাজাৰৰো অধিক আদেশ বিভিন্ন ভাষালৈ অনুবাদ কৰা হৈছে বুলিও তেওঁ প্ৰকাশ কৰে।

০০০০০০০

কৃষি মন্ত্ৰী অতুল বৰাই আজি গুৱাহাটীৰ নিকটৱৰ্তী কাঁহীকুচিত থকা অসম কৃষি বিশ্ববিদ্যালয়ৰ উদ্যান শস্য গৱেষণা কেন্দ্ৰত একেডৰা মাটিত বছৰত দুটা শস্যৰ খেতি সম্পৰ্কীয় এখন কৰ্মশালাত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে কৃষকৰ আয় বৃদ্ধিৰ বাবে একেটা বছৰত দুটা বা ততোধিক শস্যৰ খেতি কৰাৰ ক্ষেত্ৰত বিশেষ অগ্ৰাধিকাৰ প্ৰদান কৰিছে। অসম কৃষি বিশ্ববিদ্যালয়ে এই দিশত গুৰুত্ব আৰোপ কৰি শালিধান চপোৱাৰ পাছত 'ছন পৰি 'থকা ৰাজ্যৰ

এহেজাৰ হেক্টৰ ভূমিত মাহ জাতীয় শস্য, সৰিয়হ খেতি কৰাৰ বাবে অভিলাষী প্ৰকল্প প্ৰস্তুত কৰি উলিয়াইছে। এই প্ৰকল্পৰ জৰিয়তে শালিধান চপোৱাৰ পাছত ছন পৰি থকা পথাৰসমূহক আয়ৰ উৎস হিচাপে গঢ়ি তুলিবলৈ কৃষকসকলক সহায় কৰা হ'ব। অসম কৃষি বিশ্ববিদ্যালয়ে শস্যৰ বিভিন্ন ৰোগ আৰু ইয়াৰ প্ৰতিকাৰ ব্যৱস্থাকে ধৰি আনুষংগিক বিভিন্ন তথ্য ডিজিটেল মাধ্যমেৰে কৃষকসকলক যোগান ধৰাৰ লক্ষ্যৰে প্ৰস্তুত কৰি উলিওৱা দ্বিভাষিক মোবাইল এপ অনুষ্ঠানটো মুকলি কৰা হয়।

0000000

ভাৰতীয় সেনাৰ শ্বিলঙৰ নিযুক্তি কাৰ্যালয়ে মধ্য অসমৰ চাৰিখন জিলা শোণিতপুৰ, বিশ্বনাথ, নগাঁও আৰু মৰিগাঁৱৰ বাবে অহা ২৩ জুলাইৰ পৰা ২৭ জুলাইলৈ শোণিতপুৰৰ ষ্টেডিয়ামত অগ্নিবীৰ প্ৰাৰ্থীৰ নিযুক্তি সমাবেশৰ আয়োজন কৰিছে। মিছামাৰীৰ সেনা ছাউনীৰ যশৱন্ত ষ্টেডিয়ামত এই সমাবেশ অনুষ্ঠিত হ'ব। চলিত বৰ্ষৰ যোৱা এপ্ৰিল মাহৰ পৰা মে' মাহলৈ সাধাৰণ প্ৰৱেশ পৰীক্ষাত নিৰ্বাচিত হোৱা পৰীক্ষাৰ্থীয়ে এই সমাবেশত অংশ ল'ব পাৰিব। প্ৰাৰ্থীসকলে ফলাফল তথা অন্যান্য গুৰুত্বপূৰ্ণ তথ্যৰ বাবে ভাৰতীয় সেনাৰ অফিচিয়েল ৱেবছাইট WWW.JOININDIANARMY.NIC.INত লগইন কৰিব পাৰিব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বিয়লি ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নাইডুৰ জীৱন আৰু কৰ্মক সামৰি ৰচনা কৰা তিনিখন গ্ৰন্থ উন্মোচন কৰিব। শ্ৰীনাইডুৰ ৭৫ বছৰীয়া জন্মদিনৰ লগত সংগতি ৰাখি এই গ্ৰন্থ তিনিখন উন্মোচন কৰা হ'ব। হায়দৰাবাদৰ গাছিবউলিৰ অন্বয়া  প্ৰেক্ষাগৃহত প্ৰাক্তন উপ-ৰাষ্ট্ৰপতিগৰাকীৰ জন্ম দিন উপলক্ষে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

0000000

ৰাজ্যখনৰ বান পৰিস্থিতি প্ৰায় সুস্থিৰ হৈছে যদিও ৫খন জিলাৰ ৩৮৩ খন গাঁৱৰ ৪১ হাজাৰৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। ১২৯টা আশ্ৰয় শিবিৰত ১৪ হাজাৰৰো অধিক লোকে আশ্ৰয় লৈ আছে। ইয়াৰ ভিতৰত কৰিমগঞ্জ জিলাত স্থাপন কৰা সৰ্বাধিক ১০৩টা আশ্ৰয় শিবিৰত ১৩ হাজাৰৰো অধিক লোক আশ্ৰয় লৈ আছে। কৰিমগঞ্জৰ উপৰি কামৰূপ, ধেমাজি, কাছাৰ আৰু বৰপেটা জিলাত বিভিন্ন অঞ্চল প্লাৱিত হৈ আছে। এই বানত প্ৰায় ৮৫ হাজাৰ পশুধনৰ ক্ষতি হৈছে।

তিনিচুকীয়া জিলাত বিগত কেইবাদিনো ধৰি ধাৰাসাৰ বৰষুণৰ ফলত নৈ-উপ নৈ সমূহৰ জলস্তৰ বৃদ্ধি পাইছে। ডিব্ৰু নৈৰ বাঢ়নী পানীয়ে জিলাখনৰ কেইবাটাও অঞ্চল প্লাৱিত কৰিছে। ইফালে ব্ৰহ্মপুত্ৰ আৰু ন-দিহিং নৈৰ পানী বাঢ়ি অহাৰ ফলত বহু অঞ্চলত খহনীয়াৰ সমস্যা দেখা দিছে। জিলাখনৰ গুইজানৰ সমীপৰ নতুন গাঁও বাঢ়নী পানীৰে বুৰাই পেলোৱা বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে। ধাৰাসাৰ বৰষুণ আৰু বাঢ়নী পানীৰ মাজতে ওদালগুৰি জিলাত বনৰীয়া হাতীৰ উপদ্ৰৱে জনসাধাৰণক আহুকালত পেলাইছে। জিলাখনৰ কলাইগাঁৱত আজি নৈৰ পাৰ হওঁতে এজন লোকক নোৱা নৈৰ সোঁতে উটুৱাই লৈ যায়। ঘটনাস্থলীত আৰক্ষীৰ লোক উপস্থিত হোৱাৰ লগতে এন ডি আৰ এফ আৰু এছ ডি আৰ এফে লোকজনক উদ্ধাৰৰ চেষ্টা চলাইছে। ইপিনে বানৰ সমান্তৰালকৈ ৰাজ্যৰ বিভিন্ন ঠাইত খহনীয়াৰ সমস্যাই ভাবুকিৰ সৃষ্টি কৰিছে। গোলাঘাট জিলাৰ খুমটাইত গেলাবিল নৈৰ খহনীয়াই জনজীৱন বিপৰ্যস্ত কৰি তুলিছে। অঞ্চলটোৰ কেইবাশ বিঘা ভূমি গেলাবিলৰ বুকুত জাহ গৈছে। একেদৰে ডিব্ৰুগড় জিলাৰ দুলীয়াজানৰ বামুণগাঁৱৰ বুঢ়িদিহিং নৈৰ খহনীয়াই ব্যাপক সমস্যাৰ সৃষ্টি কৰিছে। গাঁওখনৰ কেইবাহাজাৰ বিঘা কৃষিভূমি আৰু অনুষ্ঠান-প্ৰতিষ্ঠান নৈত জাহ যোৱাৰ লগতে শেহতীয়াকৈ গাঁওখনৰ এটা পথৰ বৃহৎ অংশ নৈত জাহ গৈছে। ইফালে নগাঁও জিলাৰ কামপুৰত হোৱা বানৰ ফলত

কেইবাটাও পকীপথ খহি যোৱাত জনসাধাৰণে যাতায়তৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হৈছে। পথটো মেৰামতিৰ বাবে স্থানীয় ৰাইজে বিভাগীয় কৰ্তৃপক্ষক দাবী জনাইছে।

০০০০০০০

কেন্দ্ৰীয় বন্দৰ জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আজি সৰ্থেবাৰীৰ ন-সত্ৰত কৃষ্ণগুৰুৰ সেৱাশ্ৰমত উপস্থিত হয়। নতুন চৰকাৰৰ মন্ত্ৰী হিচাপে সেৱাশ্ৰমখনত উপস্থিত হৈ শ্ৰীসোণোৱালে সেৱা জনোৱাৰ লগতে বৰ্তমানৰ গুৰু প্ৰেমানন্দ প্ৰভুক সাক্ষাৎ কৰে। তেওঁ লগতে মানৱ সেৱাক অগ্ৰাধিকাৰ দি সমাজৰ পৰা অশুভ শক্তি নাশ কৰাৰ লক্ষ্যৰে কাম কৰি যাব বুলি মন্তব্য কৰে।

০০০০০০০

অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে আজি চৰাইদেউ জিলা ভ্ৰমণ কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনত উপস্থিত হৈ আয়ুক্তৰ কাৰ্যালয়ত খাদ্য, ৰাজহুৱা বিতৰণ, গ্ৰাহক পৰিক্ৰমা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আৰু অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ শীৰ্ষ বিষয়াসকলৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী যোগেন মহন, বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, জিলাখনৰ আয়ুক্ত নিবেদন দাস পাটোৱাৰীৰ লগতে বিভিন্ন বিভাগৰ কেইবাগৰাকীও শীৰ্ষ বিষয়ববীয়া উপস্থিত থাকে।

০০০০০০০

তিনিচুকীয়া জিলাৰ অধীনৰ উপ জিলাসমূহৰ গুৰুত্বপূৰ্ণ বিষয় আলোচনা কৰাৰ উদ্দেশ্যে আজি জিলাখনৰ আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত শ্ৰম মন্ত্ৰী সঞ্জয় কিষাণ, বিধায়ক ভাস্কৰ শৰ্মা, ৰূপেশ গোৱালা আৰু জিলাখনৰ আয়ুক্ত স্বপ্নীল পাল উপস্থিত থাকে। উপ জিলাৰ কাৰ্যকৰীকৰণে জিলাখনৰ প্ৰশাসনিক আৰু আনুষংগিক কামসমূহ সূচল কৰি তুলিব বুলি আশা কৰা হৈছে। মন্ত্ৰী শ্ৰীকিষাণে আজি জিলাসমূহৰ উন্নয়নৰ সৈতে জড়িত বিষয় সন্দৰ্ভত কেতবোৰ দিহা-পৰামৰ্শ আগবঢ়োৱাৰ লগতে জিলা প্ৰশাসনক দায়িত্ব সহকাৰে যাৱতীয় কামসমূহ কৰি যাবলৈ আহ্বান জনায়।

০০০০০০০০

কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক দীপিকা চৌধুৰীয়ে শিক্ষক-কৰ্মচাৰীক অৱসৰকালীন লাভালাভ প্ৰদান কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। পৰিদৰ্শকৰ কাৰ্যালয়ে আজি পাণবজাৰত আয়োজিত এক বিশেষ অনুষ্ঠানত জিলাখনৰ বিভিন্ন মাধ্যমিক বিদ্যালয়ৰ পৰা কাইলৈ অৱসৰ ল'বলগীয়া চাৰিগৰাকী শিক্ষকক অৱসৰৰ এদিন পূৰ্বেই পেন্সন সম্পৰ্কীয় নথিপত্ৰসমূহ প্ৰদান কৰে। অনুষ্ঠানত পৰিদৰ্শকগৰাকীয়ে অৱসৰ গ্ৰহণ কৰিবলগীয়া শিক্ষক-কৰ্মচাৰীসকলৰ পেন্সনৰ সৈতে জড়িত সকলো তথ্যপাতি দুমাহৰ আগতে জমা দিবলৈ আহ্বান জনায়।

০০০০০০০

ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ আয়ুক্ত সচিব ড০ পি অশোক বাবুই আজি বৰপেটা জিলাৰ নৈ'পৰীয়া পূব মহচ'ৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত উপস্থিত হৈ চ'ৰ অঞ্চলৰ স্বাস্থ্য সেৱাৰ ব্যৱস্থা সম্পৰ্কে পৰ্যবেক্ষণ কৰে। উল্লেখযোগ্য যে এই স্বাস্থ্য কেন্দ্ৰটোৱে জিলাখনৰ পূব দিশৰ চ'ৰ অঞ্চলসমূহৰ বৃহৎ অংশ সামৰি স্বাস্থ্য সেৱা আগবঢ়াই আহিছে। আয়ুক্ত সচিবগৰাকীয়ে কেন্দ্ৰটোত উপস্থিত হৈ বানৰ সময়ত ৰাইজক উপযুক্ত চিকিৎসা প্ৰদান কৰাৰ লগতে চিকিৎসক আৰু স্বাস্থ্যকৰ্মীৰ উপস্থিতিৰ সম্পৰ্কে বুজ লয়। তেওঁ পৰ্যবেক্ষণৰ সময়ত সৰ্বাধিক প্ৰয়োজনীয় ঔষধবোৰ পৰ্যাপ্ত পৰিমাণে মজুত ৰাখিবলৈ আহ্বান জনায়। সমান্তৰালভাৱে চিকিৎসক আৰু স্বাস্থ্য কৰ্মীৰ নিয়মীয়া উপস্থিতিও নিশ্চিত কৰাত বিশেষ গুৰুত্ব আৰোপ কৰে।

০০০০০০০

যোৰহাট জিলা প্ৰশাসনে আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে যোৰহাট জিলা দিৱস উদ্‌যাপন কৰিছে। দিৱসৰ প্ৰথম দিনাৰ কাৰ্যসূচী হিচাপে জিলা আয়ুক্ত কাৰ্যালয়ত ৪১গৰাকী বিশিষ্ট ব্যক্তিয়ে ৪১খন পতাকা উত্তোলন কৰে। অনুষ্ঠানত জিলা আয়ুক্তগৰাকীয়ে জিলাবাসীক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে ৰাইজৰ সহায়-সহযোগিতাৰ বাবে ধন্যবাদ জনায়। জিলা দিৱসৰ সৈতে সংগতি ৰাখি এই অনুষ্ঠানত জিলাখনক যক্ষ্মা ৰোগ মুক্ত কৰাৰ লক্ষ্যৰে **মৰমৰ যোৰহাটৰ** অধীনত বিশেষ স্বাক্ষৰ অভিযানৰ লগতে হাতত প্ৰাচীৰ পত্ৰিকা উন্মোচন আৰু গ্ৰন্থ দান কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটত প্ৰচাৰ হ'বলগীয়া দৃষ্টিপাত অনুষ্ঠানত নতুন ফৌজদাৰী আইন আৰু সমাজৰ ভূমিকা শীৰ্ষক এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত অধিবক্তা নিকুঞ্জ দেৱ শৰ্মা সমল ব্যক্তি হিচাবে উপস্থিত থাকিব। শ্ৰোতাসকলে অনুষ্ঠানটি চলি থকা সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটিত পোনপটীয়াকৈ অংশ ল'ব পাৰিব।

০০০০০০০

চাহপাতৰ গুণগত মান পৰীক্ষা কৰিবলৈ ৰাজ্য চৰকাৰৰ উদ্যোগত আজি প্ৰথমখন ভ্ৰাম্যমাণ পৰীক্ষণ বাহন মুকলি কৰা হয়। উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই চৰাইদেও জিলাৰ মথুৰাপুৰ চাহ বাগিচাত এই পৰীক্ষণ বাহন আনুষ্ঠানিকভাৱে মুকলি কৰে। কৃষি বিভাগৰ তৰফৰ জনোৱা মতে এই বাহনখনে কৃষকক কেইবাটাও দিশত লাভান্বিত কৰিব। এই পৰীক্ষণৰ সুবিধাই ভাৰতৰ খাদ্য সুৰক্ষা আৰু মানক কৰ্তৃপক্ষই নিৰ্ধাৰণ কৰি দিয়া বিধি ১০০ শতাংশ মানি চলাটো নিশ্চিত কৰিব। দ্বিতীয়তে সেউজীয়া চাহপাত আৰু প্ৰস্তুত কৰা চাহৰ উচিত মূল্য লাভত সহায়ক হ'ব। পৰীক্ষণ বাহনখনে অসমৰ চাহৰ ৰপ্তানি বৃদ্ধিতো সহায় কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০

ভাৰত আজি বাৰবাডোছত হ'বলগীয়া আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

ৰোহিত শৰ্মাৰ নেতৃত্বত ভাৰতীয় দলটোৱে ছেমি ফাইনেলত যোৱাবাৰৰ চেম্পিয়ন ইংলেণ্ডক ৬৮ ৰানত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।আনহাতে দক্ষিণ আফ্ৰিকাই ছেমি ফাইনেলত আফগানিস্তানক পৰাভূত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ভাৰত আৰু দক্ষিণ আফ্ৰিকা এইবাৰৰ প্ৰতিযোগিতাত বৰ্তমানলৈকে এখনো খেলত পৰাজিত হোৱা নাই। ভাৰতীয় ক্ৰিকেট দলৰ মুখ্য প্ৰশিক্ষক হিচাপে ৰাহুল দ্ৰাবিড়ৰ এইখন অন্তিমখন খেল হ'ব।

০০০০০০০

ইণ্ডো-ভূটান কুংফু-ৱুচু প্ৰতিযোগিতাত বাক্সা দুগৰাকী খেলুৱৈয়ে পদক লাভ কৰিছে। প্ৰতিযোগিতাত বিৰজন বসুমতাৰীয়ে সোণৰ পদক আৰু চোমদন বসুমতাৰীয়ে ৰূপৰ পদক অৰ্জন কৰে। উল্লেখযোগ্য যে অসম কুংফু ফেডাৰেচনৰ সহযোগত এই প্ৰতিযোগিতাত জিলাখনৰ তিনিগৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল।

০০০০০০০

**সমাপ্ত**